**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-11-2025
**Time :** 18-00 HRS

***Assamese Evening Bulletin***
**-------------------**

ড° ভূপেন হাজৰিকাৰ চতুৰ্দশ মৃত্যুবাৰ্ষিকী উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত কাইলৈ বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত কামৰূপ মহানগৰ জিলা প্ৰশাসনে কাইলৈ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰিছে। জালুকবাৰীৰ ড° ভূপেন হাজৰিকা সমন্বয় তীৰ্থত পুৱা ৯ বজাৰ পৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পাছত সৰ্বধৰ্ম প্ৰাৰ্থনা, ভূপেন্দ্ৰ সংগীত, নৃত্যানুষ্ঠানৰ আয়োজন কৰা হ'ব। লতাশিল খেল পথাৰত দিনৰ ১১ বজাত সুধাকণ্ঠৰ সাংস্কৃতিক অৱদান সুঁৱৰি বিশেষ কাৰ্যসূচী অনুষ্ঠিত হ'ব। কামৰূপ মহানগৰ জিলাৰ কাৰ্যসূচীত সাংস্কৃতিক মন্ত্ৰী বিমল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

ৰাজ্যৰ আন আন ঠাইতো কাইলৈ ড° ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকী উপলক্ষে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। সুধাকণ্ঠৰ মৃত্যু দিন উপলক্ষে **হোজাই**ৰ শংকৰদেৱ নগৰৰ কছাৰী ময়দানত ৫ হাজাৰতকৈ অধিক শিল্পীয়ে একেলগে **মানুহে মানুহৰ বাবে** গীতটি পৰিৱেশন কৰিব। আন ঠাইৰ লগতে **ধুবুৰী**তো জিলা প্ৰশাসনৰ উদ্যোগত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ লগতে কেইবাটাও কাৰ্যসূচী অনুষ্ঠিত হ'ব।

**তিনিচুকীয়া** জিলাত বিষ্ণু-জ্যোতি সাংস্কৃতিক সমাজে ভূপেন্দ্ৰ সংগীত আৰু চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰিছে। **কাৰ্বি আংলং** জিলাৰ ডিফু কাছা ষ্টেডিয়ামতো সুধাকণ্ঠৰ মৃত্যু বাৰ্ষিকী উপলক্ষে ৫ হাজাৰ শিল্পীয়ে মানৱশৃংখল কাৰ্যসূচী অনুষ্ঠিত কৰিব। সুধাকণ্ঠৰ অমৰসৃষ্টি **মানুহে মানুহৰ বাবে** গীতটিৰ পৰিৱেশনেৰে হাওৰাঘাট আৰু বোকাজান মহকুমাৰ পৰা শিল্পী, জ্যেষ্ঠ নাগৰিক, ছাত্ৰ-ছাত্ৰী আৰু সাংস্কৃতিক সমাজৰ প্ৰতিনিধিৰ উপস্থিতিত এই মানৱশৃংখল গঢ়ি তোলা হ'ব।

সুধাকণ্ঠৰ মৃত্যুৰ দিন উপলক্ষে **চৰাইদেউ** জিলা প্ৰশাসনে বিশেষ কাৰ্যসূচীৰ আয়োজন কৰিছে। জিলাখনৰ ৩ হাজাৰ শিল্পীয়ে কাইলৈ সুধাকণ্ঠৰ কেইবাটাও গীত পৰিৱেশন কৰিব। মন্ত্ৰী যোগেন মহনে এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ ল'ব।

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ নিৰ্দেশমৰ্মে **যোৰহাট** জিলা প্ৰশাসনেও বিশ্ববৰেণ্য শিল্পীগৰাকীৰ মৃত্যুবাৰ্ষিকী পালন কৰিব। এই অনুষ্ঠানৰ অংশ স্বৰূপে যোৰহাট ষ্টেডিয়ামৰ লগতে তিতাবৰ, টীয়ক আৰু মৰিয়নী সমজিলাত পৃথকে পৃথকে কাৰ্যসূচী অনুষ্ঠিত কৰা হ'ব। জিলা পৰ্যায়ৰ কাৰ্যসূচীত মন্ত্ৰী অতুল বৰাই মুখ্য অতিথি হিচাপে অংশ ল'ব।

০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ ছিংগাপুৰত ৰহস্যজনক মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে গঠিত ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ এজনীয়া ন্যায়িক আয়োগে আজি দ্বিতীয় দিনা দুগৰাকী ব্যক্তিৰ লিখিত তথ্য গ্ৰহণ কৰে। গুৱাহাটীৰ চানমাৰিৰ খাদী আৰু গ্ৰামোদ্যোগ বিভাগৰ চৌহদত এই আয়োগৰ সাক্ষ্য গ্ৰহণৰ ব্যৱস্থা কৰা হৈছে। প্ৰাক্তন কংগ্ৰেছ নেতা দুলু আহমেদ আৰু ব্যৱসায়ী তথা চলচ্চিত্ৰ প্ৰযোজক লুইত কুমাৰ বৰ্মনে আজি জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত লিখিত তথ্য শপতনামা ৰূপত আয়োগক প্ৰদান কৰে। উল্লেখযোগ্য যে প্ৰাক্তন কংগ্ৰেছ নেতা দুলু আহমেদে শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত ছিংগাপুৰলৈ গৈ এজাহাৰ দাখিল কৰিছিল। আয়োগত তথ্য প্ৰদানৰ পাছত সাংবাদিকৰ আগত আহমেদে এইদৰে কয়ঃ

বাইট

উল্লেখযোগ্য যে এই আয়োগে অহা ২১ নৱেম্বৰলৈ দিনৰ চাৰে ১০ বজাৰ পৰা বিয়লি ৪ বজালৈ এই সাক্ষ্য গ্ৰহণ কৰিব। অৱশ্যে কালি প্ৰথমদিনা আয়োগৰ সন্মুখত কোনো লোকে সাক্ষ্য প্ৰদান নকৰিলে। আয়োগে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ চাৰিটা মূল বিষয়ৰ তদন্ত কৰিব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৮ ডিচেম্বৰতে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ অভিযোগনামা দাখিল কৰা হ'ব বুলি  প্ৰকাশ কৰিছে।

ইপিনে, জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ ন্যায়ৰ দাবীত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ আৰু ২৫ টা জনগোষ্ঠীয় সংগঠনৰ উদ্যোগত আজি খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰৰ পৰা বেলতলা উচ্চ মাধ্যমিক বিদ্যালয়লৈ পদযাত্ৰা উলিওৱা হয়। এই কাৰ্যসূচীত সদৌ মৰাণ ছাত্ৰ সন্থা, মটক যুৱ ছাত্ৰ সন্মিলন, আই এম ছাত্ৰ সন্থা, ৰাভা ছাত্ৰ সন্থা, চাহ জনজাতি ছাত্ৰ সন্থাকে ধৰি জনগোষ্ঠীয় সংগঠনসমূহৰ প্ৰতিনিধিয়ে অংশ লয়। শিৱসাগৰত আজি আয়োজিত এখন সংবাদমেলত বিধায়ক অখিল গগৈয়ে জুবিন গাৰ্গৰ মৃত্যুক লৈ চৰকাৰ আৰু তদন্তকাৰী সংস্থাসমূহৰ ভূমিকাত অসন্তুষ্টি প্ৰকাশ কৰে।

ooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰাস মহোৎসৱ আজি আৰম্ভ হৈছে।  মাজুলী, লখিমপুৰ, ধেমাজি আৰু নামনি অসমৰ হাউলী, পলাশবাৰী, টিহু, নলবাৰী, পাঠশালা, পাটাছাৰকুছি, তামুলপুৰ, নগাঁও, মৰিগাঁৱকে ধৰি বিভিন্ন ঠাইত ৰাস উৎসৱৰ আয়োজন কৰা হৈছে।

সত্ৰ সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ **মাজুলীত** আজিৰে পৰা ৰাস মহোৎসৱ আৰম্ভ হৈছে। জিলাখনৰ উত্তৰ-কমলাবাৰী সত্ৰত ৩৫২ বছৰীয়া পৰম্পৰা অক্ষুণ্ণ ৰাখি ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। মহাপুৰুষ শংকৰদেৱৰ অমৰ সৃষ্টি কেলিগোপাল নাটৰ আধাৰত ব্ৰজাৱলী ভাষাত আজি, কাইলৈ আৰু পৰহিলৈ কমলাকান্ত আতা ক্ষেত্ৰত ৰাস অনুষ্ঠিত হ'ব। এই ৰাস মহোৎসৱৰ লগত সংগতি ৰাখি মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয় আৰু উত্তৰ কমলাবাৰী শংকৰদেৱ কৃষ্টি সংঘৰ সহযোগত 'মাজুলীৰ ৰাস লীলা, পৰম্পৰা, নান্দনিকতা আৰু প্ৰত্যাহ্বান' শীৰ্ষক এখন আলোচনাচক্ৰৰ আয়োজন কৰা হৈছে। আউনীআটী, চামগুৰি, বেঙেনাআটীকে ধৰি প্ৰায়বোৰ সত্ৰতে শ্ৰীকৃষ্ণৰ ৰাসলীলা উদযাপন কৰা হ'ব। ৰাসৰ পৰিপ্ৰেক্ষিতত ৬ নৱেম্বৰত মাজুলীত স্থানীয় বন্ধৰ দিন ঘোষণা কৰা হৈছে।

**চৰাইদেউ** জিলাৰ মোহনগাঁও ৰজাপুখুৰী বৰনামঘৰত কাইলৈৰ পৰা তিনিদিনীয়াকৈ ৰাস লীলা মহোৎসৱ অনুষ্ঠিত হ'ব। মহোৎসৱৰ প্ৰথম দিনা ভাওনা আৰু ৬ আৰু ৭ নৱেম্বৰত মহাৰাস প্ৰদৰ্শন হ'ব।

ooooo

গোলাঘাট জিলাৰ উৰিয়ামঘাটৰ অসম নাগালেণ্ড সীমান্তৰ চি আৰ পি এফ শিবিৰৰ সমীপৰ চেতিয়া গাঁৱত আজি অসম আৰক্ষী আৰু চি আৰ পি এফে অভিযান চলাই এটা গড়ৰ খড়্গ উদ্ধাৰ কৰে। গাওঁখনৰ মজিবুৰ ৰহমান নামৰ লোকজনৰ বাসগৃহত উদ্ধাৰ কৰা খড়্গটোৰ ওজন এক কেজি ২০০ গ্ৰাম বুলি জানিব পৰা গৈছে। ধৃত মজিবুৰ ৰহমানে আৰক্ষীৰ আগত প্ৰকাশ কৰা মতে, নাগালেণ্ডত বিক্ৰীৰ বাবে এই খড়্গটো নগাওঁৰ পৰা তেওঁ ক্ৰয় কৰিছিল। ঘটনা সন্দৰ্ভত উৰিয়ামঘাট আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

ooooo

ঃঃ সমাপ্ত ঃঃ